# মন কি বাত

খণ্ড 5



# MANN KI BAAT
## VOL.5

**Authors**
Sarda Mohan and Tanushree Banerji

**Illustrations and Cover Art**
Dilip Kadam

**Assistant Artist**
Ravindra Mokate

**Production**
Amar Chitra Katha

**Published by**
Amar Chitra Katha Pvt. Ltd

**ASSAMESE**

ISBN – 978-81-19596-40-9

Amar Chitra Katha Pvt. Ltd, August 2023

© Ministry of Culture, Govt of India, August 2023
All rights reserved. This book is sold subject to the condition that the publication may not be reproduced, stored in a retrieval system (including but not limited to computers, disks, external drives, electronic or digital devices, e-readers, websites), or transmitted in any form or by any means (including but not limited to cyclostyling, photocopying, docutech or other reprographic reproductions, mechanical, recording, electronic, digital versions) without the prior written permission of the publisher, nor be otherwise circulated in any form of binding or cover other than that in which it is published and without a similar condition being imposed on the subsequent purchaser.

You can now get ACK stories as part of your classroom with **ACK Learn**,
a unique learning platform that brings these stories to your school with a range of workshops.
Find out more at **www.acklearn.com** or write to us at **acklearn@ack-media.com**.



মৰমৰ শিশুসকল,

আমাৰ দেশ আৰু পৃথিৱীৰ ভৱিষ্যত নিৰ্ভৰ কৰে আমাৰ যুৱ-প্ৰজন্মৰ ওপৰত। আমি পৃথিৱীৰ আটাইতকৈ সুখী আৰু সমৃদ্ধ ৰাষ্ট্ৰলৈ ৰূপান্তৰিত হ'ব পাৰিম নে নোৱাৰিম সেয়া তোমালোকৰ ওপৰতে নিৰ্ভৰ কৰে।

আমি যথাসাধ্য চেষ্টা কৰিছো, আমাৰ পূৰ্বৰ প্ৰজন্ময়ো যথাসাধ্য চেষ্টা কৰিছে। আমি কিছুমান ভুলো কৰিছো। তোমালোকে আমাৰ প্ৰচেষ্টা আৰু আমি কৰা ভুলৰ পৰা শিকিব লাগিব আৰু ভাৰতৰ বাবে সঠিক পথ নিৰ্ণয় কৰিব লাগিব। সেয়েহে মই আমাৰ যুৱ-প্ৰজন্মক এনে লোকসকলৰ সৈতে পৰিচয় কৰি দিব খোজো যি জীৱন উন্নত, সংস্কৃতি সংৰক্ষণ, হেৰুওৱা সম্পদসমূহ পুনৰুজ্জীৱিত, আৰু আশা কঢ়িয়াই অনাত বহু অৱদান আগবঢ়াইছে।

আমাৰ মন কি বাত কমিকৰ পঞ্চম সংস্কৰণত, তোমালোকে সাগৰ মূলেৰ বিষয়ে পঢ়িবলৈ পাবা যি 'কাভি' নামৰ বিলুপ্তপ্ৰায় কোংকন কলাক পুনৰুজ্জীৱিত কৰি তুলিছে।

তোমালোকে পূৰ্ণা মালাৱথৰ সংগ্ৰাম আৰু বিজয়ৰ বিষয়ে জানিব পাৰিবা যি 13 বছৰ বয়সতে মাউণ্ট এভাৰেষ্টৰ শিখৰত উপনীত হোৱা বিশ্বৰ কনিষ্ঠতম নাৰী আছিল।

তোমালোকে পটয়ত চাহুৰ বিষয়ে জানিব পাৰিবা যি ছয় বছৰ বয়সৰ পৰাই তেওঁৰ ককাকক লগে লগে থাকি তেওঁৰ পৰা বনৌষধি আৰু ৰোগ-নিৰাময়ৰ বিষয়ে শিকিছিল।

কৌতূহলী হোৱা, শিকিবলৈ ইচ্ছুক হোৱা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ ভয় নকৰিবা।

# সূচী


| | | |
|---|---|---|
| 1 | সাগৰ নায়ক মূলে | 3 |
| 2 | পটয়ত চাহু | 6 |
| 3 | চন্দ্ৰ কিশোৰ পাটিল | 9 |
| 4 | যতীন ললিত সিং | 11 |
| 5 | ৰোহন কালে | 14 |
| 6 | শ্যাম সিং আৰু কোঁৱৰ সিং | 17 |
| 7 | গৌতম দাস | 20 |
| 8 | অৰুণ কৃষ্ণমূৰ্তি | 22 |
| 9 | পূৰ্ণা মালাৱথ | 25 |
| 10 | বিক্ৰমজিত চাকমা | 28 |
| 11 | মনোজ বেঞ্জৱাল | 30 |

# সাগৰ নায়ক মূলে













*গোৱা, কৰ্ণাটক আৰু মহাৰাষ্ট্ৰৰ পশ্চিম উপকূলৰ এলেকা


হায়দৰাবাদৰ এখন মহাবিদ্যালয়ত চাৰু কলা অধ্যয়ন কৰি থাকোতে -
আমাৰ দেশৰ বহুতো প্ৰাচীন কলা দ্ৰুতগতিত হেৰাই যাবলৈ ধৰিছে। সেইসমূহৰ ভিতৰত কাভিও এটা।
স্নাতকোত্তৰ সম্পূৰ্ণ কৰাৰ পিছত, সাগৰে কাভিৰ ওপৰত গৱেষণা আৰম্ভ কৰে।
অতি আকৰ্ষণীয় ডিজাইন! এই কলা কেৱল দেৱালতে সীমাবদ্ধ কৰি ৰাখিলে মানুহে কেনেকৈ চাবলৈ পাব?
তেওঁ অনুভৱ কৰিলে যে অধিক লোকে কাভিৰ সৌন্দৰ্য উপভোগ কৰিবলৈ ইয়াক কাগজ বা কেনভাচত সৃষ্টি কৰা প্ৰয়োজন।
2020 চনত, নৱৰাত্ৰি উৎসৱৰ ঠিক পূৰ্বে -
উৎসৱটো কোভিড-19 লকডাউনৰ মাজতে পৰিছে। হয়তো মই মোৰ কলাৰ জৰিয়তে সকলোকে অলপ হ'লেও আনন্দিত কৰি তুলিব পাৰিম।
OCTOBER
সাগৰে কাগজত কাভি কলা সৃষ্টি কৰা আৰম্ভ কৰিছিল। এই কলাসমূহৰ বিষয় আছিল গোৱাৰ কুলদেৱী*।
এইসমূহত ৰং কৰিবলৈ মাটি ব্যৱহাৰ কৰি মই প্ৰকৃতি আৰু ঈশ্বৰক সন্মান কৰিছো।
তেওঁ চচিয়েল মিডিয়াত তেওঁৰ কলা প্ৰদৰ্শন কৰি সকলোৰে পৰা যথেষ্ট প্ৰশংসা লাভ কৰিছিল।

*গোত্ৰ দেৱী




*অৰ্থনৈতিক সহযোগিতাৰ বাবে বহুতো ৰাষ্ট্ৰৰ দ্বাৰা গঠিত মঞ্চ

# পটয়ত চাহু




*উৰিষ্যাৰ জিলা
**ওড়িয়াত ককাদেউতা

^পৰম্পৰাগত ৰোগ-নিৰাময়কাৰী




*কালাহাণ্ডি জিলাত পৰম্পৰাগত আৰোগ্যকাৰীসকলৰ দ্বাৰা গঠিত এটা গোট
^ওড়িয়াত পিতৃ




*ৰোগ নিৰাময়কাৰী উদ্ভিদ
^শুকান আদাৰে তৈয়াৰী ভেষজ পাউডাৰ

# চন্দ্ৰ কিশোৰ পাটিল




*গোদাৱৰী নদীৰ এখন উপনদী
^হিন্দু উৎসৱ

**কাঁচৰ গুড়ি লেপন কৰা সুঁতা, চিলা উৰুৱাবৰ বাবে ব্যৱহাৰ কৰা হয়




*হিন্দীত ভাতৃ

^হিন্দু উৎসৱ

# যতীন ললিত সিং




*উত্তৰ প্ৰদেশৰ এখন জিলা
^হিন্দীত ভাতৃ


কেন্দ্ৰটোৰ নিৰ্মাণ কাৰ্য চলি থকাৰ সময়ত যতীন আৰু তেওঁৰ বন্ধুবৰ্গই এক কিতাপ সংগ্ৰহ অভিযান আৰম্ভ কৰিলে। কেইসপ্তাহমানৰ পিছত -
আমাৰ ওচৰত এতিয়া হিন্দী আৰু ইংৰাজী সাহিত্যৰ ওপৰত 100 খনতকৈও অধিক কিতাপ আছে, লগতে প্ৰতিযোগিতামূলক পৰীক্ষাৰ কিতাপো আছে।
বৰ ভাল হৈছে! আমি এই অভিযানক জনপ্ৰিয় কৰি তোলো আহা।
2020 চনৰ নৱেম্বৰত -
বানচা কমিউনিটি লাইব্ৰেৰী আৰু সম্পদ কেন্দ্ৰলৈ স্বাগতম। পুথিভঁৰালটো ব্যৱহাৰৰ বাবে কোনো মাচুল দিব নেলাগে আৰু কিতাপ পলমকৈ ঘূৰাই দিয়াৰ বাবেও কোনো জৰিমনা নাই।
RY & RESOURCE CENTRE
বৰ ভাল কথা!
স্বেচ্ছাসেৱকৰ এটা দলে সকলোকে পুথিভঁৰাললৈ যাবলৈ উৎসাহিত কৰিলে।
শিশু আৰু যুৱক-যুৱতীসকলৰ সৈতে মহিলাসকলেও পুথিভঁৰাললৈ যাবলৈ আৰম্ভ কৰিলে
মই মোৰ স্কুলীয়া দিনৰ পিছত এখনো কিতাপ পঢ়া নাই। ইয়াত বহুতো কিতাপ আছে।
আমি আনকি একেলগে পঢ়িবলৈ ইয়াত কিছুদিনৰ মূৰে মূৰে এবাৰকৈ লগ হ'ব পাৰো।
2021 চনৰ মাৰ্চ মাহত মহামাৰীৰ দ্বিতীয় ঢৌৰ সময়ত, যতীনে 'গ্ৰাম্য কোভিড ৰিলিফ ৱৰ্ক' নামৰ এক অভিযান আৰম্ভ কৰিলে।
আজি আমি আপোনালোকৰ উষ্ণতা আৰু অক্সিজেনৰ স্তৰৰ পৰিমাপ ল'বলৈ আহিছো। আপোনালোকৰ ভালনে?
মোৰ স্বামীয়ে চাকৰি হেৰুৱালে। খোৱা-বস্তু আৰু ঔষধ ক্ৰয় কৰাটো আমাৰ বাবে কঠিন হৈ পৰিছে।
আপুনি অকলশৰীয়া নহয়, আমি সকলোৱে আপোনাক সহায় কৰিম। আমি আপোনাক এটা খোৱাবস্তুৰ টোপোলা দিম আৰু আপোনাৰ স্বাস্থ্য-ৰক্ষাৰ ব্যয়সমূহ নিয়ন্ত্ৰণ কৰাত সহায় কৰিম।
মই আপোনালোকৰ ওচৰত কৃতজ্ঞ!
যতীন আৰু তেওঁৰ দলে পুঁজি সংগ্ৰহ কৰি বানচা আৰু কাষৰীয়া গাওঁবোৰত 11,000 ৰো অধিক লোকক সহায় কৰিছিল। তেওঁলোকে গাঁৱৰ লোকসকলক কোভিড টিকাকৰণ কৰাতো সহায় কৰিছিল।


কেইবামাহৰ পিছত, যেতিয়া স্বাভাৱিকতা ঘূৰি আহিল -
মহামাৰীৰ সময়ত আপোনালোকৰ প্ৰচেষ্টাৰ বাবে অশেষ ধন্যবাদ। এতিয়া, আমি বানচাৰ বাহিৰৰ ঠাইসমূহতো পঢ়াৰ প্ৰতি প্ৰেম সৃষ্টি কৰাৰ উপায় বিচাৰি উলিওৱা উচিত।
শিশুৰ মাজত পঢ়াৰ প্ৰতি প্ৰেম সৃষ্টি কৰিবলৈ আমি বিদ্যালয়ত পঠন কৰ্মশালাৰ আয়োজন কৰো আহক।
যতীন আৰু তেওঁৰ দলে হাৰ্ডোই জিলা ভ্ৰমণ কৰি স্থানীয় বিদ্যালয়সমূহত কৰ্মশালা অনুষ্ঠিত কৰিছিল।
যতীন ভাইয়া, আপুনি আমাক পঢ়ি শুনোৱা কিতাপবোৰ বৰ ভাল। পুথিভঁৰালৰ পৰা আমি অধিক কিতাপ ল'ব পাৰোনে?
আমি এটা গ্ৰন্থ-ক্লাব আৰম্ভ কৰিব পাৰোনে, যাতে আমাৰ প্ৰিয় কিতাপবোৰৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰতি সপ্তাহত এবাৰকৈ লগ হ'ব পাৰো?
নিশ্চয়! আমি তোমালোকক সহায় কৰিম।
2022 চন পৰ্যন্ত, যতীন আৰু তেওঁৰ দলে 36 খন গাঁৱৰ লোকসকলক পঢ়াৰ সামগ্ৰী প্ৰদান কৰিবলৈ সক্ষম হৈছে। সামূহিক পুথিভঁৰালত বৰ্তমান 3,000 তকৈও অধিক কিতাপ আছে।
প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ কাৰ্যসূচী মন কি বাতত যতীনৰ প্ৰচেষ্টাক প্ৰশংসা কৰিছে।
শিক্ষাৰ পথাৰত জ্বলি থকা এটা সৰু চাকিয়েও সমাজৰ সকলোকে আলোকিত কৰিব পাৰে। বানচা গাঁৱৰ যতীন ললিত সিংজী শিক্ষাৰ শিখা আলোকিত কৰাৰ কামত নিয়োজিত হৈ আছে।
এই প্ৰশংসাৰ দ্বাৰা অনুপ্ৰাণিত হৈ যতীনে সমাজৰ কল্যাণৰ বাবে তেওঁৰ প্ৰচেষ্টা দুগুণে বৃদ্ধি কৰিব বিচাৰে।
মোৰ লক্ষ্য হ'ল বানচাক এখন আদৰ্শ গাওঁলৈ পৰিৱৰ্তন কৰা য'ত আমি ৰাজহুৱা স্বাস্থ্য আৰু পৰিচ্ছন্নতাক প্ৰাথমিকতা দিওঁ।

# ৰোহন কালে




*ভূগৰ্ভস্থ পানীৰ স্তৰলৈ নামি যাব পৰা দীঘলীয়া খটখটিযুক্ত-কুঁৰা বা পুখুৰী

^ষোড়শ শতিকাৰ পঞ্জাৱৰ গভৰ্ণৰ


ৰোহনে আৰু কিছুমান খটখটিযুক্ত-কুঁৱা পৰিদৰ্শন কৰিলে আৰু সোনকালেই তেওঁৰ মনলৈ আহিল মহাৰাষ্ট্ৰত থকা খটখটিযুক্ত-কুঁৱাসমূহৰ কথা।
এনে সুন্দৰ স্থাপত্য। মই ভাৱিবই নোৱাৰো যে এই পৰ্যন্ত মোৰ নিজৰ ৰাজ্যত এইসমূহ চাবলৈ যোৱা নাই।
তেওঁৰ মনলৈ এটা চিন্তা আহিল আৰু শেষত 2020 চনত -
মই মোৰ চাকৰিটো এৰি দিম।
কিয়? চাকৰি এৰি আপুনি কি কৰিব?
মই মহাৰাষ্ট্ৰৰ খটখটিযুক্ত-কুঁৱাসমূহ ভ্ৰমণ কৰিবলৈ যাম।
পিঠিত এটা বেগত প্ৰয়োজনীয় সামগ্ৰী লৈ, মটৰচাইকেলত উঠি ৰোহনে খটখটিযুক্ত-কুঁৱাসমূহ চাবলৈ এখন জিলাৰ পৰা আন এখন জিলালৈ গ'ল...
এইটোৰো অৱস্থা অতি বেয়া।
... আৰু এখন মানচিত্ৰত সেইসমূহ সাৱধানে চিহ্নিত কৰিলে।
পৰৱৰ্তী কেইমাহমানৰ ভিতৰত, তেওঁ মহাৰাষ্ট্ৰত অৱস্থিত 400ৰো অধিক খটখটিযুক্ত-কুঁৱা ভ্ৰমণ কৰিবলৈ সক্ষম হ'ল।
মহাৰাষ্ট্ৰৰ প্ৰায় 80 শতাংশ খটখটিযুক্ত-কুঁৱাৰ অৱস্থা অতি বেয়া। মই এই বিষয়ে কিবা এটা কৰিব লাগিব।
ৰোহনে মহাৰাষ্ট্ৰ ষ্টেপৱেল কেম্পেইন আৰম্ভ কৰি কেইজনমান স্বেচ্ছাসেৱকৰ সৈতে কাম আৰম্ভ কৰিলে।
মই শুনিছো যে আপুনি খটখটিযুক্ত-কুঁৱাটো পৰিষ্কাৰ কৰিবলৈ আহিছে। সঁচানে?
হয়। আপুনি জানেনে যে এইটো প্ৰায় 800 বছৰ আগতে নিৰ্মাণ কৰা হৈছিল? পৰিষ্কাৰ কৰাৰ পিছত, সমগ্ৰ চহৰৰ জল-সংৰক্ষণৰ বাবে ইয়াক ব্যৱহাৰ কৰিব পৰা যাব।


আপুনি বৰ ভাল কাম কৰিছে। আমি আপোনাৰ সৈতে যোগ দিম।
আমি এই খটখটিযুক্ত-কুঁৱাসমূহত চাকি-বন্তি জ্বলোৱা আৰু উৎসৱ উদযাপন কৰাৰ আমাৰ পুৰণি পৰম্পৰাক পুনৰুজ্জীৱিত কৰা উচিত।
অধিক লোকে যোগদান কৰাৰ লগে লগে কাম দ্ৰুতগতিত আগবাঢ়িবলৈ ধৰিলে।
এই পৰ্যন্ত ৰোহনে তেওঁৰ প্ৰকল্পত 1.5 লাখ টকা ব্যয় কৰিছে, আৰু মহাৰাষ্ট্ৰৰ 1,650ৰো অধিক খটখটিযুক্ত-কুঁৱা মেপিং কৰিবলৈ 14,000 কিলোমিটাৰ ভ্ৰমণ কৰিছে।
তুমি বৰ ভাল কাম কৰিছা, ৰোহন।
কিন্তু মেপিঙেই পৰ্যাপ্ত নহয়। অধিক সংখ্যক খটখটিযুক্ত-কুঁৱা পুনৰুদ্ধাৰ কৰিব লাগিব আৰু অধিক লোকে সেইবোৰৰ বিষয়ে জানিব লাগিব। মোৰ মনত এটা বুদ্ধি খেলাইছে।
ৰোহনে মহাৰাষ্ট্ৰৰ পৰ্যটন সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক ড০ ধনঞ্জয় চাৱালকাৰৰ কাষ চাপিলে।
মহাশয়, অনুগ্ৰহ কৰি মহাৰাষ্ট্ৰ পৰ্যটন ৱেবছাইটত খটখটিযুক্ত-কুঁৱাৰ বিষয়ে এটা শাখা অন্তৰ্ভুক্ত কৰক। আমি সেইবিলাক পুনৰুজ্জীৱিত কৰিছো আৰু সেইসমূহৰ ইতিহাসে পৰ্যটকসকলক আকৰ্ষিত কৰিব।
আপুনি বৰ ভাল চিন্তা কৰিছে!
2022 চনৰ বিশ্ব পৰ্যটন দিৱসৰ দিনা মহাৰাষ্ট্ৰৰ পৰ্যটন ৱেবছাইটত খটখটিযুক্ত-কুঁৱাৰ বিষয়ে এটা শাখা যোগ দিয়া হৈছিল।
2022 চনৰ 1 মাৰ্চ তাৰিখে, মহাশিৱৰাত্ৰি উৎসৱৰ সময়ত -
কি সুন্দৰ লাগিছে!
অৱশেষত মোৰ প্ৰচেষ্টা সফল হোৱা যেন লাগিছে।
উদযাপনৰ বাবে 160 টা খটখটিযুক্ত-কুঁৱা পৰিষ্কাৰ কৰি তাত চাকি জ্বলোৱা হ'ল।
ৰোহনে এতিয়া স্থাপত্য মহাবিদ্যালয়সমূহৰ সৈতে একেলগে খটখটিযুক্ত-কুঁৱাবোৰ নথিভুক্ত কৰাৰ কাম আৰম্ভ কৰিছে।
আমি ড্ৰোন ফুটেজো ল'ম। যদি সকলো খটখটিযুক্ত-কুঁৱা পুনৰুজ্জীৱিত কৰা হয়, তেন্তে ই জল সংৰক্ষণৰ দিশত এক বৃহৎ পদক্ষেপ হ'ব। আমি এখন খৰাং-মুক্ত মহাৰাষ্ট্ৰৰ আশা কৰিব পাৰোঁ।

# শ্যাম সিং আৰু কোঁৱৰ সিং




*উত্তৰ প্ৰদেশৰ আগ্ৰা জিলাৰ এখন গাওঁ




*হিন্দীত ভাতৃ
^মূৰব্বী

**ইটাৰে আবৃত ফুটপাথ/ৰাস্তা
^^ মাটিৰ তলত জমা হোৱা পানী


পাঁচ কিলোমিটাৰ দূৰত, বাসতাই*ৰ পানীৰ নলাটোক তেওঁলোকে খোৱা পানীৰ উৎস হিচাপে নিৰ্বাচন কৰিলে।
... ইয়াৰ চাৰিওফালৰ মাটিখিনি তেওঁলোকে পাঁচ লাখ টকাত ক্রয় কৰিলে...
... আৰু 2018 চনৰ আগষ্ট মাহৰ পৰা পাঁচ কিলোমিটাৰ দীঘল পাইপলাইনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিলে।
পাইপলাইনটো নিৰ্মাণত তেওঁলোকৰ 27 লাখ টকা খৰচ হৈছিল।
অৱশেষত 2020 চনত পাইপলাইনটো সম্পূৰ্ণ হৈছিল।
পানী আহিল! হুৰৰে!!
বৰ সকাহ হ’ব দেই! ঈশ্বৰে কোঁৱৰ সিং আৰু শ্যাম সিঙৰ মংগল কৰক!
গাওঁখনৰ 1,200ৰো অধিক পৰিয়ালে পৰিষ্কাৰ পানী লাভ কৰিছিল। অতি সোনকালেই কোঁৱৰ সিঙক প্ৰধান হিচাপে নিৰ্বাচিত কৰা হয়।
দুয়ো ভাতৃৰ নিস্বাৰ্থ অৱদানৰ কাহিনীয়ে কাচোৰাক জনপ্ৰিয় কৰি তুলিলে। এদিন ৰাতিপুৱা তেওঁলোকলৈ এটা গুৰুত্বপূৰ্ণ ফোন কল আহিল।
শ্যাম সিং জী আৰু কোঁৱৰ সিং জী, মই নৰেন্দ্ৰ মোদীয়ে কৈছো। কাচোৰাৰ প্ৰতি আপোনালোকে আগবঢ়োৱা দৃষ্টান্তমূলক অৱদানৰ বাবে আমি গৌৰৱান্বিত।
ধন্যবাদ, মহাশয়!
এয়া আমাৰ বাবে পৰম সন্মানজনক কথা!
কথোপকথনটো চমু আছিল যদিও দুয়ো ভাতৃ অতিশয় আনন্দিত হৈছিল।
তেওঁলোক দুয়োকে এটা বিশেষ কাৰ্যসূচীৰ বাবে দিল্লীলৈ আমন্ত্ৰণ জনোৱা হৈছিল আৰু পোনপটীয়া সম্প্ৰচাৰত প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁলোকৰ শলাগ লৈছিল।
সিং ভাতৃদ্বয়ে প্ৰমাণ কৰিছে যে সমাজত পৰিৱৰ্তন আনিবলৈ বহু সংখ্যক মানুহৰ প্ৰয়োজন নাই।

*ওচৰৰ এখন গাওঁ

# গৌতম দাস




*ত্ৰিপুৰাৰ ৰাজধানী চহৰ


কেইসপ্তাহমানৰ পিছত সমগ্ৰ দেশতে লকডাউন ঘোষণা কৰা হৈছিল।
কাম নকৰা দুসপ্তাহতকৈও বেছি হ'ল। ভগৱানক ধন্যবাদ যে মোৰ কিছু সঞ্চয় আছে। অন্যথা, মোৰ জীয়াই থকাটোৰেই কঠিন হ'লহেতেন।
দুখৰ কথা যে বাবুয়ে বেছি টকা সঞ্চয় কৰা নাছিল। তেওঁৰ ল'ৰা ছোৱালীকেইটাই চাৰি দিন ধৰি খাবলৈ পোৱা নাই।
গৌতমে গোটেই ৰাতি শুব নোৱাৰিলে। ৰাতিপুৱা হোৱাৰ লগে লগে -
মই মোৰ জমা টকাৰে চাউল আৰু দাইল কিনি বাবুক দিম।
সোনকালেই -
বাবু। এইবোৰ লোৱা, মই অহা সপ্তাহত আকৌ আনিম।
মই তোমাক কিদৰে ধন্যবাদ জনাম!
গৌতম সুখী মনেৰে ঘৰলৈ উভতি গ'ল যদিও তেওঁ খাদ্যৰ অভাৱত ভোগা অন্য পৰিয়ালসমূহৰ বিষয়ে চিন্তা কৰিবলৈ আৰম্ভ কৰিলে।
তেওঁ সোনকালেই অধিক চাউল আৰু দাইল কিনি খাদ্যৰ অভাৱত ভোগা লোকসকলৰ মাজত বিতৰণ কৰিবলৈ টোপোলা বান্ধিলে।
কাষৰীয়া অঞ্চলৰ সকলো পৰিয়ালৰ বাবে এইখিনিয়েই যথেষ্ট হ'ব যেন পাইছো।
মহামাৰীৰ সময়ত 160 টাৰো অধিক পৰিয়ালক খাদ্য যোগান ধৰিবলৈ গৌতমে তেওঁৰ সঞ্চয়ৰ পৰা 8,000 টকা ব্যয় কৰিছিল।
গৌতমৰ নিস্বাৰ্থ প্ৰচেষ্টাৰ বাবে ত্ৰিপুৰাৰ তেতিয়াৰ মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱে তেওঁক সম্বৰ্ধনা জনোৱাৰ উপৰিও সহায় আৰু সমৰ্থন কৰাৰ প্ৰতিশ্ৰুতি দিছিল।
আনকি প্ৰধানমন্ত্ৰী মোদীয়েও মন কি বাতত গৌতম দাসৰ শলাগ লৈছিল।

# অৰুণ কৃষ্ণমূৰ্তি



'বহনক্ষম' শব্দটোৰ অৰ্থ কি কোনোবাই মোক ক'ব পাৰিবনে?
'বহনক্ষম'ৰ অৰ্থ হৈছে পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰ অনিষ্ট নকৰাকৈ জীৱন ধাৰণ কৰাৰ এক উপায়।
শুদ্ধ হৈছে, পাৰুল। মই তোমালোকক অৰুণ কৃষ্ণমূৰ্তি নামৰ এজন ব্যক্তিৰ বিষয়ে কওঁ, যি আমাক বহনক্ষম জীৱন-যাপনৰ বিষয়ে শিক্ষিত কৰি তোলাৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছে।
স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰাৰ পিছত অৰুণ কৃষ্ণমূৰ্তিয়ে হায়দৰাবাদত কৰ্মজীৱন আৰম্ভ কৰে।
তুমি এই কামটো ইমান সোনকালে শেষ কৰিলা। অতি সুন্দৰ, অৰুণ!
হু! এইটো যেতিয়া সম্পূৰ্ণ হ'ল, মই এতিয়া চফাই অভিযানত অংশগ্ৰহণ কৰিব পাৰো।
অৰুণৰ ৰাপ আছিল আন এটা দিশত - আৰু সেইবাবে তেওঁ ভাৰতীয় পৰিৱেশবিদ ফাউণ্ডেচন (ইএফআই) প্ৰতিষ্ঠা কৰিছিল।
ENVIRONMENTALIST FOUNDATION OF INDIA
E.F.I.
আমাৰ মূল লক্ষ্য হৈছে পুখুৰী আৰু হ্ৰদৰ দৰে খোৱা-পানীৰ উৎসসমূহ পৰিষ্কাৰ আৰু পুনৰুদ্ধাৰ কৰা।


ইএফআইৰ অংশ হিচাপে অৰুণ আৰু তেওঁৰ স্বেচ্ছাসেৱকৰ দলটোৱে পৰিৱেশৰ সতে সম্পৰ্কিত বহু বিষয়ত কাম কৰে, যেনে আৱৰ্জনা ব্যৱস্থাপন...
এই গাঁতটো খাদ্য-আৱৰ্জনা নিষ্কাশনৰ বাবে ব্যৱহাৰ কৰিব। কিছুদিনৰ ভিতৰত, আৱৰ্জনা আপোনাৰ খেতিৰ বাবে সাৰ হৈ পৰিব।
... পশুধন উদ্ধাৰ আৰু পুনৰ-সংস্থাপন...
STREET DOG VACCINATION DRIVE
... গাওঁবোৰক পৰিৱেশ-অনুকূল আৰু বহনক্ষম কৰি তোলা...
চাৰ, ই আমাৰ ঘৰত অধিক পৰিষ্কাৰ পানী উপলব্ধ কৰি তুলিব নেকি?
হয়, এই নলীবোৰে বৰষুণৰ পানী সংগ্ৰহ কৰি সেই পানী ঘৰুৱা কাম-কাজত ব্যৱহাৰ কৰাত সহায় কৰিব।
... আৰু জলাশয়বোৰ পৰিষ্কাৰ আৰু সুৰক্ষিত কৰি তোলা।
হ্ৰদটো পৰিষ্কাৰ কৰাৰ পিছত, আমি ইয়াৰ চাৰিওফালে এখন বেৰা দিছো যাতে মানুহে ইয়াত আৱৰ্জনা পেলাব নোৱাৰে।
অৰুণৰ সংগঠনে 15 খনতকৈও অধিক ৰাজ্যত কাম কৰিছে আৰু ভাৰতৰ প্ৰতিখন ৰাজ্যলৈ সম্প্ৰসাৰিত হোৱাৰ লক্ষ্য স্থিৰ কৰিছে।


ইএফআইয়ে চাইক-লেক (Cyclakes) আৰু লেক চাৱাৰী (Lake Savaari)ৰ দৰে প্ৰকল্পৰ জৰিয়তে সজাগতাৰ সৃষ্টি কৰে।
চাইক-লেকৰ অংশ হিচাপে, আমি আপোনাক আপোনাৰ নিকটতম হ্ৰদসমূহলৈ চাইকেল চলাবলৈ বা ভ্ৰমণ কৰিবলৈ উৎসাহিত কৰো।
তাত, আমাৰ স্থানীয় গাইডে আপোনাক এক পাৰিপাৰ্শ্বিক ভ্ৰমণলৈ লৈ যাব।


অৰুণে জলাশয় আৰু জলাশয় সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে অসংখ্য তথ্যচিত্ৰও নিৰ্মাণ কৰিছে।
2012 চনত, চেন্নাইৰ কিলকাট্ৰালাই হ্ৰদৰ সফল পুনৰুজ্জীৱনৰ বাবে অৰুণে ‘এণ্টাৰপ্ৰাইজৰ বাবে ৰোলেক্স বঁটা’ লাভ কৰা সৰ্বকনিষ্ঠ ব্যক্তি ৰূপে পৰিগণিত হয়। টাইম আলোচনীয়ে 2022 চনত তেওঁক ‘পৰৱৰ্তী প্ৰজন্মৰ নেতা’ ৰূপে স্বীকৃতি দিছিল।


2022 চনত প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে তেওঁৰ ৰেডিঅ’ অনুষ্ঠান মন কি বাতত অৰুণৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰে।
বহু শতাব্দী ধৰি, পানীৰ উৎসক সুৰক্ষিত কৰাটো এখন সমাজৰ দায়িত্ব ৰূপে জ্ঞান কৰা হৈ আহিছে।
অৰুণ কৃষ্ণমূৰ্তিয়ে 150 টাতকৈও অধিক জলাশয় আৰু হ্ৰদ পৰিষ্কাৰ কৰাৰ দায়িত্ব লৈ সেই কাম সফলতাৰে সম্পূৰ্ণ কৰিছিল।

# পূৰ্ণা মালাৱথ




*জনজাতীয়
^তেলেংগানাৰ এখন গাওঁ

**তেলেংগানা চচিয়েল ৱেলফেয়াৰ ৰেচিডেনচিয়েল ইন্সিটিটিউচনছ চচাইটি
^^তেলেংগানাৰ এখন চহৰ


পূৰ্ণাৰ প্ৰশিক্ষক শেখৰ বাবু বাচিনেপল্লী আছিল এজন দক্ষ পৰ্বতাৰোহী আৰু তেওঁ 2007 চনত এভাৰেষ্টত আৰোহণ কৰিছিল।
পূৰ্ণাৰ পৰ্বতাৰোহণৰ পদ্ধতি অনন্য!
এদিন, এজন অৱসৰপ্ৰাপ্ত আইপিএছ* বিষয়া আৰু টিএছডব্লিউআৰইআইএছৰ তদানীন্তন সচিব ড. আৰ. এছ. প্ৰবীণ কুমাৰ এটা অভিযান হাতত লৈ বিদ্যালয়ত উপস্থিত হৈছিল।
স্কুল এৰা শিক্ষাৰ্থীৰ হাৰ উদ্বেগজনক আৰু ইয়াক নিয়ন্ত্ৰণ কৰা প্ৰয়োজন।
মই পাঠ্যক্ৰম-বৰ্হিত কাৰ্যকলাপ ব্যৱহাৰ কৰি প্ৰণালীটোৰ সংস্কাৰ সাধন কৰিব বিচাৰোঁ।
পূৰ্ণাই নাজানিছিল যে তাইৰ জীৱন চিৰদিনৰ বাবে সলনি হ'বলৈ গৈ আছে।
যেতিয়া ড. কুমাৰে ভনগীৰত পৰ্বতাৰোহণৰ শিবিৰ পৰিদৰ্শন কৰিলে -
সেই শিশুটিয়ে কোনো ৰছীৰ সহায় নোলোৱাকৈ 1,000 ফুটতকৈ ওপৰলৈ উঠিছে! তাইৰ নাম কি?
ছাৰ, সেয়া পূৰ্ণ মালাৱথ।
পূৰ্ণাৰ দক্ষতাৰ দ্বাৰা প্ৰভাৱিত হৈ ড. আৰ.এছ. প্ৰবীণ কুমাৰে পূৰ্ণাক তৎক্ষণাৎ দাৰ্জিলিঙত অধিক-উচ্চতাৰ পৰ্বতাৰোহণ প্ৰশিক্ষণৰ বাবে নিৰ্বাচন কৰিছিল...
... আৰু তাৰপিছত লাডাখত বৰফত পৰ্বতাৰোহণ, য'ত তেওঁ -35 ডিগ্ৰী চেলচিয়াছতকৈও কম তাপমাত্ৰাত জীয়াই থকাৰ প্ৰশিক্ষণ লৈছিল।
আঠ মাহৰ কঠোৰ প্ৰশিক্ষণৰ পিছত পূৰ্ণা মাউণ্ট এভাৰেষ্টত আৰোহণৰ বাবে সাজু হৈছিল।
2014 চনৰ 29 মে তাৰিখে, 13 বছৰীয়া পূৰ্ণা 29,035 ফুট উচ্চতাৰ মাউণ্ট এভাৰেষ্টত আৰোহণ কৰা পৃথিৱীৰ কনিষ্ঠতম ছোৱালী ৰূপে পৰিগণিত হৈছিল!
শৃংগৰ ওপৰত তেওঁ গৌৰৱেৰে ভাৰতীয় ত্ৰিৰংগা, তেলেংগানাৰ পতাকা আৰু তেওঁৰ বিদ্যালয়ৰ পতাকা উত্তোলন কৰে।

*ভাৰতীয় আৰক্ষী সেৱা



তাৰপিছত পূৰ্ণাই সমগ্ৰ পৃথিৱীৰে আন বহু শৃংগ জয় কৰিছিল।
2016 চনত মাউণ্ট কিলিমাঞ্জাৰো...
2017 চনত মাউণ্ট এলব্ৰাছ...
2019 চনত মাউণ্ট একনকাগুৱা...
2019 চনত মাউণ্ট কাৰ্ষ্টেনজ পিৰামিড...
2019 চনত মাউণ্ট ভিনচন মেচিফ...
আৰু শেষত, 2022 চনত মাউণ্ট ডেনালী জয় কৰি 'সপ্ত শিখৰৰ প্ৰত্যাহ্বান' সম্পূৰ্ণ কৰে।
পূৰ্ণাই সমান্তৰালভাৱে টিএছডব্লিউআৰইআইএছৰ পৰা কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰিছিল...
... আৰু তাৰপিছত মিনেচ'টা ষ্টেট ইউনিভাৰ্চিটিৰ গ্ল'বেল আণ্ডাৰগ্ৰেজুৱেট এক্সচেঞ্জ প্ৰগ্ৰামৰ অংশ হিচাপে সেই বিশ্ববিদ্যালয়লৈ গৈছিল।
প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে প্ৰমূখ্য কৰি বহুতো লোকে পূৰ্ণাক সম্বৰ্ধনা জনাইছে। তেওঁ বিভিন্ন সন্মানৰ লগতে 25 লাখ টকা, এটা ঘৰ আৰু 5 একৰ ভূমি লাভ কৰিছে।
সংকল্প আৰু কঠোৰ পৰিশ্ৰমৰ দ্বাৰা পূৰ্ণা লাখ লাখ লোকৰ বাবে অনুপ্ৰেৰণা হৈ পৰিছে।
মই এভাৰেষ্টত আৰোহণ কৰি প্ৰমাণ কৰিলো যে মহিলাসকল যিকোনো কামতে সফল হ'ব পাৰে।
আটাইতকৈ ডাঙৰ পৰিৱৰ্তনটো হৈছিল পূৰ্ণাই পঢ়া গাওঁৰ চৰকাৰী বিদ্যালয়সমূহত। এসময়ত তাত আছিল খালী শ্ৰেণীকোঠা, আৰু এতিয়া নামভৰ্তিৰ বাবে তীব্ৰ প্ৰতিযোগিতা হয় - ই সৰ্বোচ্চ পৰ্বতত আৰোহণ কৰাৰ দৰেই এক বিজয়।

# বিক্ৰমজিত চাকমা




*জুজুবে বেৰী
^ত্ৰিপুৰাৰ পেচাৰথালৰ এখন গাওঁ

**চাকমা ভাষাত খুৰা




*বাগিচা বা সেউজগৃহত ফুল, ফল আৰু পাচলিৰ খেতি কৰা

# মনোজ বেঙ্গুৱাল




*পিতৃৰ ফালৰ আইতা




*হিমালয়ৰ ঘাঁহনি অঞ্চল


মনোজে তেওঁৰ প্ৰতিশ্ৰুতি পালন কৰি আহিছে। 2019 চনত তেওঁ উত্তৰাখণ্ডৰ সেৱা ইণ্টাৰনেচনেল আৰু তেওঁলোকৰ কাৰ্যসূচী 'প্ৰৱাহ'ত যোগদান কৰে।
প্ৰবাহত, আমি পৰ্বতসমূহ পৰিষ্কাৰ কৰাৰ লগতে পৱিত্ৰ স্থানসমূহ সংৰক্ষণ কৰাৰ দিশত কাম কৰো। আমি বিচাৰো যে সকলো জান-জুৰি প্লাষ্টিক-মুক্ত হওক। আমি বৃক্ষ-ৰোপণো কৰি আছো যাতে জীৱ-জন্তু আৰু চৰাই-চিৰিকতি এই অঞ্চলসমূহলৈ উভটি আহে।
sewa International
মনোজৰ কামত মুগ্ধ হৈ ৰুদ্ৰপ্ৰয়াগৰ জিলা দণ্ডাধীশ ময়ূৰ দীক্ষিতে তেওঁক আমন্ত্ৰণ কৰি আলোচনা কৰে।
আপুনি আৰু আপোনাৰ দলটোৱে কি কি ক্ষেত্ৰত কাম কৰে?
মহাশয়, আমি একাধিক গাঁৱত চফাই কাৰ্যসূচী চলাই আছো। সকলো মানুহৰ বাবে বিশুদ্ধ খোৱা পানী নিশ্চিত কৰি তোলাই আমাৰ লক্ষ্য।
প্ৰশাসনে আপোনাক কেনেদৰে সহায় কৰিব পাৰে?
যদি স্থানীয় পঞ্চায়ত আৰু পৌৰসভাই আমাক সমৰ্থন কৰে, তেন্তে আমি লক্ষ্যত উপনীত হোৱাটো সহজ হৈ পৰিব। কেদাৰনাথলৈ যোৱা পথটো কেনেকৈ আৱৰ্জনামুক্ত কৰি ৰাখিব পৰা যায়, সেইবিষয়ে মই ইতিমধ্যেই চিন্তা কৰিছো।
আমি আপোনাক সমৰ্থন কৰিম।
প্ৰশাসনৰ সমৰ্থন আৰু মন কি বাতত প্ৰধানমন্ত্ৰীৰ শলাগণি লাভ কৰাৰ পিছত মনোজ বেঞ্জৱালে তেওঁৰ সপোন বাস্তৱায়িত কৰাৰ দিশত কাম কৰি আছে।



मन की बात 100

MANN KI BAAT 100

# মন কি বাত

## খণ্ড 5

ৰোহন কালেই গুজৰাট ভ্ৰমণলৈ যাওতে কিছুমান বিখ্যাত খটখটিযুক্ত-কুঁৰা চাবলৈ গৈছিল। সেইবিলাকৰ সুন্দৰ সংৰক্ষণৰ দ্বাৰা প্ৰভাৱিত হৈ তেওঁ মহাৰাষ্ট্ৰৰ খটখটিযুক্ত-কুঁৰাসমূহ পৰিষ্কাৰ কৰাৰ বাবে এক অভিযান আৰম্ভ কৰাৰ সিদ্ধান্ত লয়। কিছু দিনৰ ভিতৰতে এই খটখটিযুক্ত-কুঁৰাসমূহ পৰ্যটকৰ ভ্ৰমণসূচীত অন্তৰ্ভুক্ত কৰা হৈছিল আৰু পুৰণি সময়ৰ দৰে সেইবিলাকৰ খটখটিত বিভিন্ন উৎসৱ উদযাপন কৰা আৰম্ভ হৈছিল।

মন কি বাত, খণ্ড 5-ত, নায়াৰ ছাৰে বাস্তৱ জীৱনৰ নায়কসকলৰ মনোমোহা কাহিনী বৰ্ণনা কৰাটো অব্যাহত ৰাখিছে। এইসকল লোকে সমাজ, দেশ আৰু পৃথিৱীক এক অধিক উন্নত স্থানলৈ ৰূপান্তৰিত কৰিবলৈ কঠোৰ পৰিশ্ৰম কৰিছে। এইসমূহ হ'ল দৃঢ়তা, সাহস আৰু অধ্যৱসায়ৰ কাহিনী যি আনক আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত আৰু উৎসাহিত কৰে।



₹99

www.amarchitrakatha.com

ISBN 978-81-19596-40-9